আন্তঃৰাষ্ট্ৰীয়

কৰ্মস্থলীত ধৰ্মীয় প্ৰতীক পৰিধানৰ নিষেধাজ্ঞা: উচ্চতম ন্যায়ালয়ৰ ৰায়ক লৈ বিতৰ্ক কানাডাত

কুইবেকত শিক্ষক আৰু আৰক্ষীৰ দৰে চৰকাৰী কৰ্মচাৰীয়ে ধৰ্মীয় প্ৰতীক পৰিধান কৰাৰ ওপৰত থকা নিষেধাজ্ঞা বাহাল ৰাখিছে কানাডাৰ সৰ্বোচ্চ ন্যায়ালয়ে।

প্ৰকাশ: ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০১



অটোৱা, ২৯ নৱেম্বৰ: কানাডাৰ কুইবেক প্ৰদেশত শিক্ষক, আৰক্ষীকে ধৰি চৰকাৰী খণ্ডৰ কিছুসংখ্যক কৰ্মচাৰীয়ে কৰ্মস্থলীত ধৰ্মীয় প্ৰতীক পৰিধান কৰাত আৰোপ কৰা নিষেধাজ্ঞা বাহাল ৰাখিছে দেশখনৰ সৰ্বোচ্চ ন্যায়ালয়ে। শুকুৰবাৰে প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ ৰায়ত ন্যায়ালয়ে ২০১৯ চনত কুইবেক চৰকাৰে গৃহীত কৰা 'বিল ২১'ৰ বৈধতা বাহাল ৰাখে। এই সিদ্ধান্তক লৈ শিখ আৰু মুছলমান সংগঠনসমূহে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। ইংলিছ মন্ট্ৰিয়েল স্কুল ব'ৰ্ডে দাখিল কৰা এক গোচৰৰ ভিত্তিত বিষয়টো সৰ্বোচ্চ ন্যায়ালয়ৰ দৃষ্টিগোচৰ হৈছিল। ২০১৯ চনৰ জুনত কুইবেক চৰকাৰে গৃহীত কৰা এই আইন অনুসৰি শিক্ষক, আৰক্ষী বিষয়া আৰু আন কিছুমান চৰকাৰী পদত কৰ্মৰত লোকসকলে কৰ্মস্থলীত কোনো ধৰণৰ ধৰ্মীয় প্ৰতীক পৰিধান কৰিব নোৱাৰে। ৰৰ্ল্ড শিখ অৰ্গেনাইজেচন অৰ কানাডা, নেচনেল কাউন্সিল অৰ কানাডিয়ান মুছলিমছ আৰু কানাডিয়ান চিভিল লিবাৰ্টীজ এছ'চিয়েচনকে ধৰি কেইবাটাও সংগঠনে এই আইনৰ বিৰুদ্ধে আদালতত প্ৰত্যাহ্বান জনাইছিল।

আদালতৰ ৰায়ৰ পাছত ক্ষোভ প্ৰকাশ কৰি শিখ সংগঠনসমূহে কয় যে এই পদক্ষেপে লোকসকলক ধৰ্মীয় বিশ্বাস আৰু জীৱিকাৰ মাজত যিকোনো এটাক বাছনি কৰিবলৈ বাধ্য কৰিছে। ৱৰ্ল্ড শিখ অৰ্গেনাইজেচনৰ সভাপতি ডেনিছ্ সিঙে কয় যে এই সিদ্ধান্তৰ ফলত কুইবেকৰ শিখ নাগৰিকসকলে নিজৰ ধৰ্মীয় বিশ্বাসৰ বাবে বহু চৰকাৰী চাকৰিৰ সুযোগৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। আইনখনক বৈষম্যমূলক আখ্যা দি সংগঠনটোৱে আক্ৰান্ত লোকসকলৰ অধিকাৰ ৰক্ষাৰ বাবে আইনী যুঁজ অব্যাহত ৰখাৰ কথা স্পষ্ট কৰে।

ইফালে শিখ বিজনেছ্ কাউন্সিলে এই ৰায়ক কানাডাৰ ধৰ্মীয় স্বাধীনতাৰ প্ৰতিশ্ৰুতিৰ সৈতে অসংগত বুলি অভিহিত কৰিছে। খালছা এইড কানাডায়ো ন্যায়ালয়ৰ সিদ্ধান্তক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। ব্ৰাম্পটনৰ মেয়ৰ পেট্ৰিক ব্ৰাউনে মন্তব্য কৰি কয় যে কোনো কানাডিয়ান নাগৰিককে নিজৰ ধৰ্মীয় বিশ্বাস আৰু চাকৰিৰ মাজত বাছনি কৰিবলৈ বাধ্য কৰাটো অনুচিত। অন্টাৰিঅ' লিবাৰেল পাৰ্টিৰ নেতা নৱদীপ সিং বেইনছেও এই ৰায়ক লৈ অসন্তুষ্টি ব্যক্ত কৰিছে।

অৱশ্যে সৰ্বোচ্চ ন্যায়ালয়ে আইনখনৰ এটা বিশেষ অংশ বাতিল কৰিছে। কুইবেক বিধানসভাৰ সদস্যসকলৰ মুখ ঢাকি ৰখাত নিষেধাজ্ঞা আৰোপ কৰা দফাটোৱে তেওঁলোকৰ সংবিধানপ্ৰদত্ত গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰে বুলি আদালতে মত দিয়ে। আনহাতে, কুইবেকৰ প্ৰিমিয়াৰ পল ষ্ট-পিয়েৰ প্লামণ্ডন আৰু ব্লক কুইবেক'ৱাৰ নেতা ইভ-ফ্ৰঁছোৱা ব্লঁছেই এই ৰায়ক ধৰ্মনিৰপেক্ষতা আৰু কুইবেকৰ স্বায়ত্তশাসনৰ এক ডাঙৰ জয় হিচাপে আদৰণি জনায়।

শীৰ্ষ আদালতৰ এই সিদ্ধান্তৰ পাছতে কুইবেকত চৰকাৰী কৰ্মচাৰীসকলৰ ধৰ্মীয় স্বাধীনতা, নিয়োগৰ অধিকাৰ আৰু ধৰ্মনিৰপেক্ষতাৰ নীতিৰ মাজৰ আইনী তথা সামাজিক বিতৰ্কই পুনৰ নতুন মাত্ৰা লাভ কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7537/canada-supreme-court-quebec-religious-symbols-ban